# 'জৱাহৰ জ্যোতি'ৰ প্ৰথম দহোটি সংখ্যাৰ গল্প সাহিত্য ঃ এটি চমু সমীক্ষা

শ্ৰীঅতুল চন্দ্ৰ দাস
স্নাতক, তৃতীয় বাৰ্ষিক

সাম্প্ৰতিক অসমীয়া গল্প সাহিত্যৰ মানদণ্ড ভাৰতৰ আন প্ৰান্তীয় গল্প সাহিত্যৰ তুলনাত চহকী নহলেও পিচপৰা যে নহয় সেয়া অতিৰঞ্জনৰ আঁচোৰ নপৰাকৈ কব পৰা যায়। সেয়া হলেও যিটো কথা অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰত অপৰিহাৰ্যভাৱে কোৱা প্ৰয়োজন সেয়া হৈছে অসমীয়া গল্প সাহিত্যলৈ অৰিহণা যোগোৱা সাৰ্থক গল্পকাৰৰ সংখ্যা তেনেই মুষ্টিমেয়। প্ৰণিধান যোগ্য যে এইসকল গল্পকাৰৰ বেছিভাগে প্ৰাক্‌স্বাধীন যুগৰ পৰা এতিয়ালৈ নিৰৱচ্ছিন্ন আৰু নিষ্ঠাৰে লিখি অহা গল্পকাৰ। পৰিতাপৰ কথা যে স্বাধীনোত্তৰ কালত জন্মগ্ৰহণ কৰা সকলৰ মাজৰ পৰা খুব কম সংখ্যকেহে সাৰ্থক গল্পকাৰ হিচাপে চিনাকি দিব পাৰিছে। অসমীয়া গল্প সাহিত্যৰ এনে এক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসমৰ মহাবিদ্যালয়ৰ সমূহ আৰু বিশ্ববিদ্যালয় কেইখনৰ মুখপত্ৰ সমূহৰ গল্প সাহিত্যৰ খতিয়ান সময়ে সময়ে লোৱাৰ প্ৰায়াজনীয়তা নুই কৰিব নোৱাৰি; কাৰণ এইবোৰৰ পৃষ্ঠাই আন আন ভাবী সাহিত্যিকৰ দৰে বহন কৰে ভৱিষ্যত গল্পকাৰ সকলৰো উন্মেষ! নকলেও হ'ব, সেইসকলক বিচাৰি উলিওৱা, সেই সকলৰ থুলমূলকৈ হলেও প্ৰতিভাৰ মূল্যায়ন কৰি প্ৰেৰণা যচা আমাৰ এনে খতিয়ান-ধৰ্মী আলোচনাৰ অন্যতম উদ্দেশ্য। আমাৰ এই নিবন্ধৰ বাবে 'জৱাহৰ জ্যোতি'ৰ প্ৰথম দহোটা সংখ্যাৰ গল্প সমূহ লোৱা হৈছে! এইখিনিতে উনুকিয়াই থোৱা ভাল হব যে স্থানাভাৱলৈ লক্ষ্য ৰাখি আৰু বিশেষকৈ গল্পৰ গুণগত দিশ বিচাৰ কৰি উক্ত সংখ্যা সমূহৰ নিৰ্বাচিত গল্প কিছুমানৰ সমালোচনাহে এই নিবন্ধৰ উপজীব্য কৰি লোৱা হৈছে। ফলস্বৰূপে কোনো সংখ্যাৰ হয়তো আটাইকেইটা গল্পৰে সমালোচনাই ঠাই পাইছে আৰু কোনো সংখ্যাৰ তাতকৈ কম সংখ্যক গল্পৰ ওপৰত আলোকপাত কৰা হৈছে।

১৯৭০-৭২ চনত প্ৰকাশ পোৱা 'জৱাহৰ জ্যোতি'ৰ প্ৰথম সংখ্যাত প্ৰকাশিত শ্ৰীনিৰঞ্জন ৰায়নৰ 'প্ৰতিশ্ৰুতি' গল্পত জাৰজ সন্তানৰ সন্দৰ্ভত আমাৰ সমাজত সময়ে উদ্ভৱ হোৱা এক গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ ওপৰত আলোকপাত কৰা হৈছে। জাৰজ সন্তান বাইশ বছৰীয়া গাভৰু বীনা সমাজৰ চকুত কলঙ্কিতা, নিন্দাৰ পাত্ৰী। কিন্তু তাইৰ জন্মদাতা চৰিত্ৰহীন হলধৰ সমাজৰ দৃষ্টিত গণ্যমান্য

নেতৃস্থানীয় ব্যক্তি। সমাজে হলধৰৰ অপৰাধ জানিও তাৰ ধন-দৌলত, প্ৰভাৱৰ বাবে তাক একেধৰণৰ একাধিক অপৰাধৰ বাবে শাস্তিৰ পৰা ৰেহাই দি আহিছে। আনহাতে প্ৰণৱ আদৰ্শবাদী প্ৰগতিশীল যুৱক। নিৰ্দোষী বীণাৰ স্বীকাৰোক্তিৰ পৰা তাইৰ জন্ম বৃত্তান্ত জানিও সি তাইক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিছে। বিষয়-বস্তুৰ গুৰুত্ব থাকিলেও গল্পৰ ভাষা, গাঁথনি দুৰ্বল। তথাপিও গল্পটো লেখত লব পাৰি। সংখ্যাটোত ইয়াৰ উপৰিও থকা আন পাঁচোটি গল্পৰ সমালোচনা পূৰ্বোক্ত কাৰণত আগবঢ়োৱাৰ পৰা বিৰত থকা হ'ল।

১৯৭৬-৭৭ চনত প্ৰকাশিত 'জৱাহৰ জ্যোতি'ৰ তৃতীয় সংখ্যাৰ গল্প শিতানৰ একমাত্ৰ গল্প অধ্যাপক দিলীপ দাসৰ 'কৃষ্ণচূড়াৰ হাঁহি'। গল্পটোৰ জৰিয়তে কলেজৰ অধ্যাপকৰ নিশ্চিত চাকৰি এটা সম্পূৰ্ণ মানবীয় কাৰণত সহপাঠিনী স্মিতা নামৰ ছোৱালী এজনীক পোৱাৰ সুযোগ দি আজিৰ স্বাৰ্থ সৰ্বস্ব সমাজত অনুকৰণীয় আদৰ্শৰ নিদৰ্শন দেখুওৱা শশাঙ্কৰ চৰিত্ৰটি মানবীয় আবেদনেৰে সিক্ত এটি উজ্বল চৰিত্ৰ। লেখকৰ সুৰঠ প্ৰকাশভঙ্গী, মিতব্যয়ী ভাষাৰ সাৱলীল প্ৰয়োগ, চিন্তাৰ ঐক্য আৰু সুসংযত গাঁথনি আৰু চৰিত্ৰ প্ৰধান গল্পৰ চৰিত্ৰ সৃষ্টিৰ দক্ষতাই চুটি গল্প হিচাপে 'কৃষ্ণচূড়াৰ হাঁহি'ক এক বিশেষ মৰ্য্যাদা প্ৰদান কৰিছে।

১৯৭৭-৭৮ চনত প্ৰকাশিত 'জৱাহৰ জ্যোতি'ৰ চতুৰ্থ সংখ্যাৰ গল্প শিতানতো মাত্ৰ এটা গল্পই স্থান পাইছে। 'শেতা হাঁহি' নামৰ এই গল্পৰ লেখক শ্ৰীঅনিল কুমাৰ ৰাভা। গল্পটোৰ জৰিয়তে লেখকে বিনন্দা নামৰ আবিয়৳ বিগতা যৌৱনা গাভৰু এগৰাকীয়ে কলেজীয়া জীৱনৰ আৰম্ভণিতে প্ৰেমাস্পদৰ দ্বাৰা প্ৰতাৰিত হৈ পোৱাৰ আঘাত, তাৰ পিছত দেউতাকৰ আকস্মিক মৃত্যুত পোৱা আঘাত আৰু দেউতাকৰ মৃত্যুৰ ফলস্বৰূপে ঘৰৰ ডাঙৰ সন্তান হিচাপে কলেজীয়া শিক্ষা সাং নকৰাকৈ শিক্ষয়িত্ৰীৰ চাকৰিত সোমাই ঘৰ চলোৱাৰ দায়িত্ব লোৱাৰ কাহিনী বৰ্ণাই ভনীয়েক অপৰ্ণাৰ বিয়াৰ দিনা গাভৰু গৰাকীয়ে অনুভৱ কৰা তিক্ত অনুভূতি, নোপোৱাৰ বেদনা ইত্যাদি ফুটাই তোলাৰ প্ৰয়াস কৰিছে আৰু সেই প্ৰচেষ্টাত লেখক ভালেখিনি কৃতকাৰ্যও হৈছে। বিষয়-বস্তু আৰু টেকনিকৰ ফালৰ পৰা গল্পটোক মোটামুটিকৈ এটি সুখপাঠ্য গল্প বুলিয়ে স্বীকৃতি দিব পাৰি।

১৯৮০ চনত প্ৰকাশ পোৱা 'জৱাহৰ জ্যোতি'ৰ পঞ্চম সংখ্যাত গল্পৰ সংখ্যা তিনিটা। শ্ৰীভৱানী প্ৰসাদ দাসৰ "বক্তৃতা বনাম নীৰৱতা" গল্পত শিক্ষা মন্ত্ৰী শ্ৰীআনন্দি প্ৰসাদ হাজৰিকাৰ চৰিত্ৰৰ জৰিয়তে মিছা প্ৰতিশ্ৰুতিৰে শাসক শ্ৰেণীৰ প্ৰতিনিধিসকলে কিদৰে ৰাইজক আভুৱা ভাৰি আহিছে তাক উদঙাই দিয়া হৈছে আধাৱলিয়া বুলি সকলোৰে অৱজ্ঞা কৰা অথচ অন্যায় কথাত তীব্ৰ বিদ্ৰূপাত্মক হাঁহিৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰা মাধৱ চৰণৰ চৰিত্ৰৰ জৰিয়তে। লেখক নিজ উদ্দেশ্যত ভালেখিনি সফল হোৱা বুলিয়ে কব লাগিব। বিষয়-বস্তু, পৰিমিত শব্দ তথা ভাষাৰ প্ৰয়োগ, টেকনিক আদিৰ ফালৰ পৰা মোটামুটিকৈ ইয়াক এটি সাৰ্থক গল্প বুলিয়ে কব পাৰি। শ্ৰীনবমোহন ৰায় সৰকাৰৰ 'অচিন সুহুৰি' গল্পত পলাশ নামৰ ডেকা এজন আৰু স্মৃতা নামৰ ছোৱালী এজনীৰ

মাজৰ গভীৰ প্ৰেম আৰু অকৃণিম। নামৰ ছোৱালী এজনীৰ কৃত্রিম প্ৰেমৰ বিসদৃশ ছবি সমান্তৰাল ভাবে অঙ্কন কৰাৰ প্ৰয়াস কৰা হৈছে। ভাব, ভাষা, টেকনিক আদিৰ ফালৰ পৰা ইয়ো এক সুপৰ্যায়ৰে গল্প। এই সংখ্যাৰ আন এটা গল্প অধ্যাপক দিলীপ দাসৰ 'যাত্ৰা' গল্পটো। অৱস্থাৰ তাড়নাত সাতামপুৰুষীয়া আঠ বিঘা খেতি মাটিৰ পাঁচ বিঘা গোসাঁই প্ৰভুৰ ওচৰত বন্ধকত দি বাকী তিনি বিঘা আধিয়াত খেতি কৰাই পোৱা ধান মুঠিৰে চহৰত পিয়নৰ চাকৰি কৰি জোৰা-টাপলি মাৰি সংসাৰ চলোৱা হলধৰৰ নিজৰ নামত থকা তিনি বিঘা মাটিতো গোসাঁই প্ৰভুৱে এদিন হঠাতে হালজুৰি দিয়া কাৰ্য্যৰ প্ৰতিবাদত হলধৰৰ নিচিনা গাঁৱৰে নিষ্পেষিত ৰাতিৰাম, কণ্টি, সৰ্বেশ্বৰ, ধনেশ্বৰহঁতে মতা গাঁৱৰ মেলত গাঁৱৰ অৱস্থাপন্ন মানুহ ৰমেশ মণ্ডল, মেজা মহাজন আদি নাহিল যদিও বাকী সকলে দৃঢ়তাৰে মেল পতাৰ সিদ্ধান্ত কৰি হলধৰক চহৰৰ পৰা মাতি আনিলে। সি উঠি অহা শেষ বাছখন আধা বাট আহিয়ে আগৰ দুৰাৰমানৰ নিচিনাকৈ বেয়া হৈ ৰৈ যোৱাত নামি অহা ৰাতিৰ বিপদ অনুমান কৰি আগতে নমা মানুহখিনিয়ো এইবাৰ নামি আহি ঠেলিবলৈ ধৰাত বাছখন চলিবলৈ ধৰিলে — গন্তব্যস্থল পোৱাই দিয়াৰ আশাপ্ৰদ ইঙ্গিত কৰি। শোষণৰ আন কিছুমান উদাহৰণ বাদ দি গল্পটোৰ মূল বিষয়-বস্তু থূলমূলকৈ এনে। শোষকৰ অক্টোপাছ সদৃশ হাতোৰাত দুখীয়া শ্ৰেণীটো কেনেকৈ পৰ্যায়ক্ৰমে নিষ্পেষিত হৈছে আৰু তাৰ প্ৰতিক্ৰিয়াস্বৰূপে নিষ্পেষিত শ্ৰেণীটোৰ মাজত কেনেকৈ লাহে লাহে প্ৰতিবাদমুখী সচেতনতা গা কৰি উঠিছে তাৰ এখন সুন্দৰ চিত্ৰ গল্পটোৰ জৰিয়তে অঙ্কন কৰা হৈছে। হলধৰৰ বাছ যাত্ৰাৰ বৰ্ণনাই সমাজৰ দলিত শ্ৰেণীটোৱে আজি নিজৰ মুক্তিৰ জয়যাত্ৰাত দিয়া পদক্ষেপলৈ ইঙ্গিত কৰি গল্পৰ নামকৰণৰ যথাৰ্থতা সুন্দৰভাৱে সাব্যস্ত কৰিছে। লেখকৰ বিষয়-বস্তুৰ নিৰ্বাচন, সমাজ সচেতনতা, উদ্দেশ্যমুখী বক্তব্যৰ স্পষ্টতা, পৰিমিত অথচ সাৱলীল ভাষাৰ ব্যৱহাৰ আৰু অন্যান্য কলাগত কৌশলৰ বাবে 'যাত্ৰা' আমাৰ ধাৰণাত 'জৱাহৰ জ্যোতি'ৰ এটি শ্ৰেষ্ঠ গল্প।

১৯৮১-৮২ চনত প্ৰকাশ পোৱা 'জৱাহৰ জ্যোতি'ৰ ষষ্ঠ সংখ্যাৰ গল্পৰ সংখ্যা তিনিটা। শ্ৰীকুমুদ চন্দ্ৰ শৰ্মাৰ 'চক্ৰবেহু' গল্পৰ মূল বিষয় বস্তু হিচাপে পৱন নামৰ নিবনুৱা শিক্ষিত যুৱক এজনৰ কেৰাণী চাকৰি এটিৰ কাৰণে ভেটীৰ টকা যোগাৰ কৰিব নোৱাৰা সমস্যা, আৰ্থিক দুৰৱস্থাৰ বাবে আবিয়ৈ ভনীয়েকজনীক বিয়া দিব নোৱাৰাৰ সমস্যা, মাকৰ বেমাৰৰ চিকিৎসা কৰিব নোৱাৰাৰ সমস্যা, মৌজাদাৰে গাঁৱৰ নদীত বান্ধ দি নিজৰ পথাৰৰ পানী যোগান ধৰি তাৰ লগতে বাকী ৰাইজৰ পথাৰত পানী যোগানত বাধাৰ সৃষ্টি কৰা কাৰ্যৰ বিৰুদ্ধে ৰাইজৰ লগতে নিজেও প্ৰতিবাদ আৰু প্ৰতিৰোধ কাৰ্যত অংশ গ্ৰহণ কৰি ব্যতিব্যস্ত হোৱা অৱস্থা বৰ্ণোৱা হৈছে। পৱনৰ এইবোৰ চিন্তাৰ চক্ৰবেহু লেখকে সুবিন্যস্তভাৱে পৰিবেশন কৰাত ভালেখিনি কৃতকাৰ্য হৈছে। অন্যান্য দিশৰ পৰাও গল্পটো লেখত লব পাৰি। শ্ৰীঅৱনী কান্ত অধিকাৰীৰ 'অন্যথা' গল্পত অঙ্কিত হোৱা নিস্বাৰ্থ, কৃতী, আৰ্থিক অনাটনগ্ৰস্ত বৃদ্ধ শিক্ষক শ্ৰীমনো-

বঞ্জন বৰুৱাই নিজৰ কন্যাৰ বেমাৰত আৰ্থিক সহায় বিচাৰি গৈ সু-প্ৰতিষ্ঠিত তুগবাকী প্ৰাক্তন ছাত্ৰৰ হাতত পোৱা অৱজ্ঞাৰ মনোকষ্টৰ এখন ছবিয়ে আমাৰ সমাজত আজিও অৱহেলিত হৈ থকা শিক্ষক শ্ৰেণীটোৰ তুৰৱস্থাৰ এটি ইঙ্গিত দিছে। মিচ্ সবিতা বড়োৰ 'সমীপেষু' গল্পৰ জৰিয়তে সৎ গ্ৰামসেৱক এজনে বাইজৰ সেৱা কৰিবলৈ গৈ অনুভৱ কৰা ৰাইজৰ অবৰ্ণনীয় তুৰ্দশা আৰু লগতে চৰকাৰী তুৰ্নীতিৰ ছবি এখন অঙ্কন কৰাৰ প্ৰায়াস কৰা হৈছে। বিষয়-বস্তু, ভাষা আদিৰ ফালৰপৰা ওপৰোক্ত গল্প তুটিও উল্লেখ যোগ্য।

১৯৮৩-৮৪ চনত প্ৰকাশিত 'জৱাহৰ জ্যোতি'ৰ সপ্তম সংখ্যাত চাৰিটি গল্পই স্থান পাইছে। শ্ৰীনৰমোহন ৰায় সৰকাৰৰ 'ভদীয়া বাপু, ধনপতি মহাজন আৰু শিয়ালবোৰ' গল্পত দেখুৱা হৈছে কেনেকৈ পানীপোতা নামৰ গাঁও এখনৰ অৰণ্য সদৃশ পথাৰ এখনত বছৰৰ পিছত বছৰ ধৰি বাস কৰা জাক-জাক শিয়ালে গাঁৱৰ বাইজৰ খেতি-বাতি, পোহনীয়া জীৱ-জন্তুৰ প্ৰভৃত ক্ষতি কৰা স্বত্বেও শিয়ালদেৱতাৰ বোষত পৰাৰ দোহাই দি ভদীয়া বাপু, ধনপতি মহাজন আদিয়ে প্ৰকৃততে নিজ স্বাৰ্থ ৰক্ষাৰ খাতিৰত প্ৰতিকাৰৰ ব্যৱস্থা কৰাৰ পক্ষপাতী নহয়। ভদীয়াবাপুৱে গাঁৱত বছৰি পতা শিয়াল দেৱতাৰ পূজাৰ পৰা যথেষ্ট লাভবান হয়, ধনপতি মহাজনে শিয়াল বাসকৰা পিতনিখনৰ সহায়ত চোৰাং কাৰবাৰ আৰু অন্যান্য সমাজ বিৰোধী কাৰ্য নিৰ্বিবাদে চলাই যাব পাৰে। এবাৰ গাঁৱৰ ডেকাবোৰে বাইজৰ চকু মুকলি কৰি দি পিতনিখনৰ শিয়ালবোৰৰ কিছু বধ কৰি আৰু কিছু খেদি পঠিয়াই পিতনিখন চাফ্ কৰি গাঁও খনক শিয়ালৰ হাতৰ পৰা ৰক্ষা কৰাৰ বৰ্ণনাই আমাৰ সমাজখনক শিয়ালৰূপী তুষ্ট-ব্যক্তিৰ কবলৰ পৰা মুক্ত কৰাৰ ইঙ্গিত বহন কৰিছে। বিষয়-বস্তু, ভাব-ভাষা আদিৰ ফালৰ পৰা ই এটি সুখপাঠ্য গল্পত পৰিণত হৈছে। শ্ৰীকমল পাঠকৰ 'অচিন বাট' গল্পত এহাতে মনোৰমা নামৰ পত্নী এগৰাকীৰ স্বামীৰ প্ৰতি থকা প্ৰেমৰ গভীৰতা আৰু আনহাতে তেওঁৰ অভিমানী আৰু জেদী মনৰ ছবি এখন অঙ্কন কৰা হৈছে। শ্ৰীচন্দনা ভাগৱতীৰ 'দেৱাল' গল্পত স্বাধীনতাৰ কেবাদশক পিছতো ৰাইজে ভুগি থকা তুৰ্দশাৰ ছবি এখন আঁকা হৈছে। শ্ৰীক্ষীৰোদ কুমাৰ ঠাকুৰীয়াৰ 'স্তব্ধ প্ৰহৰ' গল্পত ভোগদৈৰ বানত মাকৰ লগতে বায়েককো হেৰুওৱা বুলি ধাৰণা কৰি থকা ডাক্তৰ এজনে সুদীৰ্ঘ বিশবছৰ পিছত আচৰিতভাৱে পাঁচশ মাইল দূৰৰ পাহাৰীয়া ঠাই এখনত চিকিৎসা কৰিবলৈ গৈ বায়েকক মৃত্যু শয্যাত লগ পোৱাৰ মৰ্মন্তুদ কাহিনী এটি বৰ্ণনা কৰা হৈছে। Chanceৰ ভূমিকা থকাত গল্পটোৰ বিশ্বাসযোগ্যতাত সামান্য-ভাৱে আঁচোৰ পৰিছে যদিও ইয়াকো এটি সুখ পাঠ্য গল্প বুলিয়ে কব পাৰি।

১৯৮৫-৮৬ চনত প্ৰকাশিত 'জৱাহৰ জ্যোতি'ৰ অষ্টম সংখ্যাৰ গল্পৰ সংখ্যা তিনিটা। শ্ৰীক্ষীৰোদ কুমাৰ ঠাকুৰীয়াৰ 'জীৱন পণ্ডিত' গল্পত ৰাজহুৱা স্বাৰ্থৰ পৰিপন্থী কাম কৰা সমাজৰ প্ৰভাৱশালী ব্যক্তি কিছুমানৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ ফল-স্বৰূপে এঘৰীয়া হ'ব লগীয়া হোৱা এসময়ৰ নিস্বাৰ্থ

শিক্ষক, সমাজকৰ্মী এজনে ভৱিষ্যতে বাইজে তেওঁক পুনৰ আঁকোৱালি লোৱাৰ আশাৰে উৎসাহিত হৈছে। শিক্ষকজনৰ ভিত্তিহীন আশাই পাঠকক পতিয়ন নিয়াত দেখ দেখকৈ ব্যৰ্থ হৈছে। মঃ ফজলুৰ খানৰ 'নতুন পথ' গল্পত চাকৰি সন্ধানী ক্লান্ত-শ্ৰান্ত নিঃকিন শিক্ষক যুৱক এজনৰ সাম্প্ৰতিক শিক্ষা, সমাজ ব্যৱস্থাত আস্থা হেৰুওৱা অৱস্থাত শ্ৰেণীহীন সমাজ ব্যৱস্থাত বিশ্বাসী আন এজন যুৱকে শ্ৰেণীবিভক্ত সমাজ ব্যৱস্থা ভাঙি শ্ৰেণীহীন সমাজ গঢ়াৰ উপদেশ দিয়াত হতাশগ্ৰস্ত যুৱকজনে চাকৰিৰ আশা বাদ দি নিজৰ পৈতৃক দুবিঘা মাটিত খেতি কৰাৰ সংকল্প লৈ নতুন পথৰ সন্ধান পোৱা দেখুওৱা হৈছে। ৰজত নামৰ যুৱকজনৰ উপদেশ বক্তৃতাধৰ্মী, নায়কৰ মুখত লগাই দিয়া আন্তৰিকতাবিহীন সংলাপ যেন। নিজৰ দুই বিঘা মাটিত খেতি কৰিবলৈ ধনঞ্জয়ৰ মনত অনুপ্ৰেৰণা সিঁচিবলৈ তেনে উপদেশৰ প্ৰয়োজনীয়তা কষ্ট কল্পিত। তদুপৰি, নিজৰ বুলিবলৈ এচিকটাও মাটি নথকা বিলাকৰ সমস্যাৰ সমাধান এনে উপদেশে সমাধান কৰিব পাৰিবনে? শ্ৰীঅতুল চন্দ্ৰ দাসৰ "মণিমুক্তা" গল্পত বাছ দুৰ্ঘটনাত পতিত হৈ বহুবছৰ বিচ্ছেদ ঘটা দুই ককায়েক-ভনীয়েক ক্ৰমে মণি আৰু মুক্তাৰ আসন্ন মিলনৰ বৰ্ণনা এটি দিয়া হৈছে। বাছ দুৰ্ঘটনাত ভৰি এখন হেৰুৱাই পঙ্গু ভিখাৰীৰ জীৱন যাপন কৰা ককায়েকক আৰু বিশ্ববিদ্যালয়ত অধ্যয়নৰতা (কেনেকৈ ই সম্ভৱ হ'ল গল্পত তাৰ ইঙ্গিত নাই) ভনীয়েকক গল্পটোত বৰ্ণনা কৰা ব্যক্তিজনে লগলগাই দিয়া ভূমিকা পালন কৰিবলৈ পাই সুখী হৈছে। ঠায়ে ঠায়ে অৱস্থাৰ অবাস্তৱতা আৰু Chance ৰ ভূমিকা থকাত গল্পৰ সৌষ্ঠৱত আঘাত পৰিছে।

১৯৮৬-৮৭ চনত প্ৰকাশিত 'জৱাহৰ জ্যোতি'ৰ নৱম সংখ্যাৰ গল্পৰ সংখ্যা চাৰিটা। শ্ৰীসুশীল কুমাৰ চৌধুৰীৰ "পৰেশ ৰায়ক লগ পাইছিলে" গল্পত বিভাজনৰ সময়ত শিশু অৱস্থাতে পাকিস্তানৰ পৰা পলাই আহি ভাৰতত আশ্ৰয় লোৱা অভিজাত পৰিয়ালৰ দুলাল ৰায়ৰ পুত্ৰ পৰেশ ৰায়ক তেওঁৰ ভনী জোৱায়েকে চাকৰি সংক্ৰান্তীয় কামত যাওঁতে বহু বছৰ পিচত সীমান্তৱৰ্ত্তী গাঁও এখনত লোকৰ নলা নৰ্দমা চাফ কৰি জীৱিকা অৰ্জন কৰি থকা অৱস্থাত অপ্ৰত্যাশিতভাৱে লগ পোৱা কাহিনী বৰ্ণোৱা হৈছে। ভনীয়েকৰ ওচৰলৈ পৰেশক ঘূৰাই নিয়াৰ চেষ্টা কৰাত নিজৰ গ্লানিময় জীৱন আপোনজনক নেদেখুৱাৰ অজুহাতত স্ত্ৰী-পৰিত্যক্তা পৰেশে নিজৰ একমাত্ৰ শিশু পুত্ৰক ভনী-জোৱায়েকৰ হাতত কৌশলেৰে গতাই দি আত্মগোপন কৰিছে। বিভাজনৰ সময়ৰ নাৰকীয় ঘটনাৰ খণ্ড ছবি এখনৰ লগতে অৱস্থাই কোঙা কৰি পেলোৱা মানুহ এজনৰ ছবি অঁকাত লিখক ভালেখিনি সাৰ্থক হৈছে। গল্পৰ সামৰণিটোও মনোগ্ৰাহী আৰু আবেদন ভৰা। শ্ৰীকমল কুমাৰ কলিতাৰ "প্ৰতীক্ষাৰ অন্তত" গল্পত কৰ্মৰ সংস্থান দিব নোৱাৰা শিক্ষা ব্যৱস্থাৰে শিক্ষিত যুৱক এজনৰ চাকৰিৰ ব্যৰ্থ প্ৰচেষ্টাত হাবাথুৰি খোৱা অৱস্থা, চাকৰি নোহোৱা বাবে ভালপোৱা ছোৱালীজনীকো নিজৰ কৰি ল'ব নোৱাৰাৰ বেদনা, দেশৰ স্বাধীনতা যুঁজত জীয়াতু ভোগা দেউতাকে স্বাধীনোত্তৰ যুগত দেশীয় চৰকাৰৰ সহায় সাহাৰ্যৰ পৰিবৰ্তে অৱহেলা পোৱা ইত্যাদি

কথাৰ বিশ্লেষণাত্মক বৰ্ণনা আছে। অৱশেষত ডেকাজনে চাকৰিৰ প্ৰতীক্ষা বাদ দি লজ্জা নেওচি দেউতাকৰ হাতৰ পৰা হালৰ মুঠি কাঢ়ি আনি নিজে হালৰ মুঠিত ধৰিব খুজি কায়িক শ্ৰমৰ মৰ্যাদা উপলব্ধি কৰাৰ ইঙ্গিত দিয়া হৈছে। কলাগত দিশৰ কিছু সাফল্য, বিষয়-বস্তু আৰু বৰ্ণনা পদ্ধতি আদিৰ ফালৰ পৰা গল্পটো আও-কাণ কৰিব পৰা বিধৰ নহয়। মিচ্ ডালিমী বড়োৰ 'মৌন ক্রন্দন' গল্পত সবিতা নামৰ জেদী আদৰ্শবাদী ছোৱালী এজনীৰ কাহিনী কোৱা হৈছে। ক'লা টকাৰে ধনী হোৱা বদগুণী ইঞ্জি-নিয়াৰ শঙ্কৰ গোস্বামীক মাক-বাপেকে পচন্দ কৰাতো বিয়া নকৰাই সৱিতাই বিয়া কৰালে নীচকুলৰ সৎ আদৰ্শবাদী, মেধাবী অথচ বৃত্তিত কেৰাণী শৰৎ ভূঞাক। শৰৎ ভূঞাক বিয়াৰ পিছত আততায়ীয়ে হত্যা কৰা, তাৰ পিছত শঙ্কৰে সৱিতাৰ ওচৰত পুনৰ বিয়াৰ প্ৰস্তাৱ দিয়াত সৱিতাই অৱজ্ঞাৰে প্ৰত্যাখ্যান কৰা, তাৰ পিছত সৱিতাৰ আত্মহত্যা আৰু সবিতাৰ একালৰ সহ-পাঠিনী বৃত্তিত উকীল উৎপলাই যুক্তি-যুক্তভাৱে সেই আত্মহত্যাত ৰহস্যৰ গোন্ধ পোৱা ইত্যাদি কথাই সৃষ্টি কৰা প্লটৰ জটিলতাৰ লগতে গল্পৰ আকৰ্ষণীয় আৰম্ভণি, সামৰণি ভাব-ভাষাই গল্পটো সুখপাঠ্য কৰি তুলিছে। শ্ৰীবিৰিঞ্চি বাভাৰ 'চান্দাৰ প্ৰসঙ্গত" গল্পত আজিৰ এচাম উদণ্ড ল'ৰাই চান্দা আদায় কৰাৰ সময়ত দেখুওৱা নিৰ্মম উদ্ভণ্ডালিৰ বৰ্ণনা আছে।

১৯৮৭-৮৮ চনত প্ৰকাশ পোৱা 'জৱাহৰ জ্যোতি'ৰ দশম সংখ্যাত তিনিটা গল্প প্ৰকাশ পাইছে। শ্ৰীনিৰ্মল দাসৰ 'প্ৰতীক্ষা' গল্পত চাবিবশ বছৰ আগতে নিজৰ স্বামী উচ্চ শিক্ষাৰ বাবে আমেৰিকালৈ গৈ তাত নিখোজ হৈ এতিয়ালৈ উভতি নহা আৰু সকলোৱে মৃত্যু হোৱা বুলি ধৰিলোৱাৰ পিছতো পত্নী সৱিতা চৌধুৰী স্বামীৰ প্ৰত্যাবৰ্তনৰ আশাত সদা প্ৰতীক্ষাৰতা হৈ থকা আৰু অৱশেষত চাকৰি সংক্রান্তত কিছুদিনৰ বাবে আমেৰিকালৈ গৈ ঘূৰি অহা সৱিতা চৌধুৰীৰ ডাঙৰ পুত্ৰই দেউতাকৰ কোনো সু-সংবাদ আনিব নোৱাৰাৰ পৰিপ্ৰেক্ষিতত হোৱা সৱিতা চৌধুৰীৰ সুদীৰ্ঘ আশা ভঙ্গৰ বেদনা গল্পটোত প্ৰাঞ্জল ভাষাত অঙ্কিত হৈছে। শেষলৈ suspense বজাই ৰাখিব পৰাত গল্পকাৰ যথেষ্ট কৃতকাৰ্য হৈছে। গল্পটোৰ সামগ্ৰিক আবেদনে পাঠকক আকৰ্ষণ কৰিব পাৰে। মিচ্ গজমতী সাহাৰ 'শৰবিদ্ধ' গল্পত আমাৰ সমাজত বিৰাজ কৰা শ্ৰেণীগত বৈষম্য সুন্দৰভাৱে অঙ্কিত হৈছে। শ্ৰেণীগত বৈষম্যই কেনেকৈ প্ৰেমেৰে বিবাহপাশত বান্ধ খাব খোজা ডেকা-গাভৰুৰ মাজতো অৱশেষত প্ৰতিবন্ধকতাৰ প্ৰাচীৰ ৰূপে থিয় হয় তাক ধনীৰ পুত্ৰ দীপাঙ্কৰৰ দ্বাৰা প্ৰতাৰিত গৰীৱ হিমাদ্ৰীৰ কাহিনীৰে দেখুওৱা হৈছে। গল্পৰ ভাষা, প্ৰকাশ-ভঙ্গী কলাগত কৌশল পাঠকক আকৰ্ষণ কৰিব পৰা ধৰণৰ। শ্ৰীঅতুল চন্দ্ৰ দাসৰ 'কেচু আৰু শগুণ' গল্পত দুৰ্নীতি বোধ কৰাৰ নামত বৌ-ৰবালি সদৃশ দুৰ্নীতি পৰায়ণ ব্যক্তিক বেহাই দি প্ৰকৃতাৰ্থত দুৰ্নীতি কৰা বুলি কব নোৱাৰা খাটি খোৱা মানুহখিনিৰ ওপৰত চলা অত্যাচাৰ, উৎপীড়নৰ সুন্দৰ বৰ্ণনা দিয়া হৈছে, জঙ্গলৰ অপ্ৰয়োজনীয়

শুকান ডাল বুটলি আনি বজাৰত বিক্ৰী কৰি নিজৰ আৰু মাকৰ জীৱিকা উলিওৱা আৰু লগতে নিজৰ পঢ়া খৰচ উলিওৱা গৰীব অথচ মেধাবী ছাত্ৰ এজনৰ ওপৰত বন বিভাগৰ কৰ্মচাৰীয়ে কৰা যুক্তিহীন অত্যাচাৰৰ বৰ্ণনাৰ জৰিয়তে। বিষয়-বস্তু, নামকৰণ আদিৰ ফালৰ পৰা এইটোও এটি তাৎপৰ্যপূৰ্ণ গল্প।

ওপৰৰ থূলমূল আলোচনাৰ পৰা দেখা যায় 'জৱাহৰ জ্যোতি'ৰ বেছিভাগ গল্প লেখকে সস্তীয়া ৰোমান্টিছিজিমক প্ৰশয় নিদি সমাজ জীৱনৰ বিভিন্ন গুৰুত্বপূৰ্ণ তথা দৰ্কাৰী সমস্যা অঙ্কন কৰাৰ প্ৰয়াস কৰাৰ লগতে সেইবোৰৰ সমাধানত প্ৰচ্ছন্নভাবে হলেও ইঙ্গিত কৰিছে। আন আন অংশবোৰৰ লগতে গল্পাংশই 'জৱাহৰ জ্যোতি'ৰ কেইটিমান সংখ্যা নিঃসন্দেহে উচ্চস্তৰলৈ উন্নীত কৰাত যে সহায় কৰিছে সেই বিষয়ে সন্দেহ নাই। জৱাহৰ-লাল নেহৰু মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী স্মৃতি-গ্ৰন্থৰ সম্পাদক অধ্যাপক দিলীপ দাসদেৱে স্মৃতি-গ্ৰন্থৰ এঠাইত 'জৱাহৰ জ্যোতি'ৰ সন্দৰ্ভত লিখা এষাৰ কথা সেয়ে এই প্ৰসঙ্গত উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ।—"And we are glad to be able to say that the standard of atleast some of the issues......is considerably satisfactory." আমাৰ ধাৰণা, নিৰৱচ্ছিন্ন প্ৰচেষ্টা, অনুশীলন, অধ্যয়ন, বাস্তৱমুখী চিন্তাচৰ্চা অটুট ৰাখিলে আলোচ্য লেখক-লেখিকা সকলে ভৱিষ্যতে উন্নত মানৰ গল্প সৃষ্টি কৰিব পাৰিব।

---

['জৱাহৰ জ্যোতি'ৰ ২য় সংখ্যা সময়মতে হাতত নপৰা বাবে সেই সংখ্যাৰ গল্পৰ সমালোচনা আগবঢ়াব নোৱাৰি দুঃখিত।] —লিখক।

# এটি গীত

ৰচনা— দিলীপ দাস
মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ

হে নতুন নতুন
তোমাক স্বাগতম্
আমি পুৰণি
যাচিছোঁ কৰণি
ওলগৰ ।
আদৰৰ ॥

তুমি আমি ভাই-ভনী
একেই ঘৰৰ
আমাৰ মাজত থাকক কেৱল
প্ৰীতিৰ পৰিচয় ।

নতুন তুমি
পুৰণি আমি
হাতত হাত ধৰি
আহা যাওঁ আগবাঢ়ি ,
আমাৰ সমুখত আছে পৰি
সেন্দুৰী আলি ।
আমাক মাতে বিশাল লক্ষ্যাই
হাত বাউলি ॥

---

[ ১৯৯০ চনৰ মহাবিদ্যালয়ৰ 'নৱাগত আদৰণি' সভাত শ্ৰীভাৰত চৌধুৰীৰ সুৰ সংযোজনা আৰু পৰিচালনাত পৰিবেশিত । ]

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণাহুতি দিয়া শ্বহীদসকলৰ স্মৃতিত মোৰ সশ্ৰদ্ধ অশ্ৰু অঞ্জলি যাঁচি তেখেতসকলৰ আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ।

১৯৮৯-৯০ ইং চনৰ বাবে হোৱা জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীক মোৰ হিয়াভৰা ওলগ জনোৱাৰ লগতে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**মহাবিদ্যালয় সপ্তাহ ঃ** বিগত বছৰবোৰৰ দৰে এই বছৰো অনুষ্ঠিত হোৱা মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' পাঁচ দিনীয়া কাৰ্য্যসূচীৰে আৰম্ভ হৈছিল যোৱা ২২।১।৯০ ইং তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ দ্বাৰা অনুষ্ঠিত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কাৰ্য্য-সূচীৰে। উক্ত দিন কেইটাত বিভিন্ন খেলা-ধূলা, নৃত্য-গীত, তৰ্ক-কুইজ আদিৰ পৰিবেশন আৰু প্ৰতিযোগিতাৰে গোটেই মহাবিদ্যালয় চৌহদ আনন্দ মুখৰ হৈ পৰিছিল। ২৭।১।৯০ ইং তাৰিখে অধ্যক্ষৰ সভাপতিত্বত বহা বঁটা-বিতৰণী সভাত মুখ্য অতিথি আৰু নিমন্ত্ৰিত অতিথিৰ আসন অলংকৃত কৰিছিল যথাক্ৰমে আজীৱন শিক্ষাব্ৰতী মাননীয় শ্ৰীঅচ্যুত কান্ত অধিকাৰীদেৱে আৰু প্ৰথিত যশা ঔপন্যাসিক মাননীয় শ্ৰীহিতেশ ডেকাদেৱে।

**মহাবিদ্যালয়ত পালন কৰা উৎসৱ আদিৰ বিষয়ে ঃ** আন আন বছৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মিলি পৰম্পৰাগত উলহ-মালহেৰে আই বীণাপাণিৰ পূজা-অৰ্চনাৰ আয়োজন কৰিছিল। তদুপৰি এইবাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ তিৰোভাব তিথি ভাগৱত পাঠ আদিৰে অতি গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশত উদ্‌যাপন কৰা হৈছিল। এই উপলক্ষে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰি প্ৰথম আৰু দ্বিতীয় স্থান অধিকাৰ কৰা প্ৰতিযোগীক পুৰস্কৃত কৰা হৈছিল।

**আন্তঃ মহাবিদ্যালয় টুৰ্ণামেণ্টত যোগদান ঃ** মোৰ এই কাৰ্যকালছোৱাত আমাৰ মহাবিদ্যালয়ে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা 'আন্তঃ মহা-বিদ্যালয় যুৱ মহোৎসৱত' যোগদান কৰাৰ উপৰিও নগৰবেৰা বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ত অনুষ্ঠিত 'গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয়' ফুটবল টুৰ্ণামেণ্টতো যোগদান কৰাৰ সৌভাগ্য লাভ কৰে।

**নৱাগত আদৰণি সভা ঃ** উচ্চ শিক্ষা লাভ কৰাৰ এবুকু আশা লৈ আমাৰ মহাবিদ্যালয়ত ভৰ্ত্তি হোৱা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাবলৈ যোৱা ২০।৯।৯০ ইং তাৰিখে এখন সভা

আহ্বান কৰা হৈছিল। মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাপতিত্বত বহা এই নৱাগত আদৰণী সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীভৱানন্দ ডেকা দেৱে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি এটি বহুমূলীয়া ভাষণ দিয়ে। এইখিনিতে তেখেতলৈ আমাৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

**ৰাষ্ট্ৰীয় সেৱা আঁচনি শিবিৰ ঃ** আমাৰ মহাবিদ্যালয়ত থকা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে যোৱা ২।১০।৯০ ইং তাৰিখৰ পৰা ৭।১০।৯০ ইং তাৰিখলৈ মহাবিদ্যালয়তে এটা শিবিৰ পাতি এন, এচ. এচ, কেডেটসকলে সেৱাৰ মনোভাবেৰে মহাবিদ্যালয়ৰ চৌহদকে ধৰি ওচৰ-পাজৰৰ গাঁও কেইখনৰ আলি-পদূলিবোৰ চাফ-চিকুণ আৰু মেৰামতি কৰি সমাজ তথা ৰাইজক শ্ৰম-দানৰ মৰ্য্যাদাৰ বিষয়ে সজাগ কৰি তোলাৰ এক উজ্জ্বল দৃষ্টান্ত দাঙি ধৰে।

**শোক সভা ঃ** মোৰ কাৰ্যকালৰ অন্তিমক্ষণত আমি সকলোৱে শোকত ম্ৰিয়মান হৈ পৰিছিলোঁ। আমাৰ মহাবিদ্যালয়ৰে স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰ আৰু এগৰাকী উদীয়মান খেলুৱৈ শ্ৰী ফণীন্দ্ৰ ৰাভাৰ অকাল বিয়োগৰ বাৰ্তা শুনি। ২৭।১০।৯০ ইং তাৰিখে এখন শোক সভাত শিক্ষক-ছাত্ৰ-ছাত্ৰী উভয়ে মিলিত হৈ তেখেতৰ স্বৰ্গগত আত্মাৰ সদ্‌গতি কামনা কৰি এক মিনিট মৌনতা অবলম্বন কৰা হয়। আমি পৰম দুখিত যে ৺ ফণীন্দ্ৰ ৰাভাৰ শোক নৌ মাৰ যাওঁতেই আমি আকৌ হেৰুৱালোঁ আমাৰ মহাবিদ্যালয়ৰ উচ্চতৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ ( বিজ্ঞান শাখাৰ ) শ্ৰীবিকাশ বড়োক। তেওঁৰ আত্মায়ো চিৰশান্তি লাভ কৰক।

**আমাৰ অভাৱ-অভিযোগবোৰ ঃ** আমাৰ মহাবিদ্যালয়ৰ অভাৱ-অভিযোগৰ লেখ দি হয়তো অন্ত কৰিব নোৱাৰি। তথাপি কৰ্তৃপক্ষৰ সু-বিবেচনাৰ কাৰণে তাৰে মাত্ৰ কেইটামান উল্লেখ কৰিলোঁ। প্ৰথম হ'ল শ্ৰেণীকোঠাৰ অভাৱ। দ্বিতীয়তে, ছাত্ৰাবাসৰ অভাৱ। তৃতীয়তে, এটা প্ৰেক্ষা-গৃহৰ অভাৱ। চতুৰ্থতে, এটা চাইকেল ছেদৰ অভাৱ। পঞ্চমতে, মহাবিদ্যালয় চৌহদত কেন্টিন এখনৰ অভাৱ। ইয়াৰ বাহিৰেও আৰু দুটা অভাৱ হ'ল কলা বিষয়ত স্নাতক মহলাত সকলো বিষয়ৰ বাবে মেজৰৰ পাঠ্যক্ৰম নাই আৰু বিজ্ঞান শাখাত স্নাতক শ্ৰেণী এতিয়ালৈকে প্ৰৱৰ্ত্তিত হোৱা নাই। বিশেষকৈ বিজ্ঞান শাখাত B. Sc নথকাত গোটেই অঞ্চলটোৰ ৰাইজে এটা ডাঙৰ অভাৱ অনুভৱ কৰি আছে।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰাত যিসকলে মোক নানান দিহা-পৰামৰ্শেৰে উপকৃত কৰিলে সেইসকলৰ ভিতৰত প্ৰথমে মই নাম ল'ব লাগিব মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ। তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লোঁ। তদুপৰি অধ্যাপক-অধ্যাপিকাসকলৰ ওচৰতো মই কৃতজ্ঞ হৈ থাকিলোঁ। কাৰ্যালয় সহায়কসকলৰ সহযোগিতাৰ বাবেও তেখেতসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্যকাল চলাই নিয়াত বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়োৱাৰ কাৰণে ছাত্ৰ একতা সভাৰ সহকাৰী

সদস্য সকলৰ লগতে সমূহ ছাত্র-ছাত্রীক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌশেষত মোৰ কার্যকাল চলাই যাওঁতে হৈ যোৱা জ্ঞাত-অজ্ঞাত ভুল-ক্রটিৰ বাবে ক্ষমা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্রতিবেদনৰ সামৰণি মাৰিলোঁ।

"জয় আই অসম।"

ধন্যবাদেৰে,
শ্রীপ্রণয় কলিতা
সাধাৰণ সম্পাদক, ছাত্র একতা সভা।

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে, মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৮৯-৯০ ইং চনৰ বাবে খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ আন আন ছাত্ৰ-ছাত্ৰী সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

'খেল' কেৱল আনন্দৰ বাবে নহয়, বৰ্ত্তমান 'খেল'ক শিক্ষাৰ এটা অংগও বুলিব পাৰি। খেলৰ জৰিয়তে শাৰীৰিক পুষ্টি সাধনৰ লগতে মানসিক উৎকৰ্ষও সাধন হয়। এইবোৰৰ বাহিৰেও বিভিন্ন জাতি-গোষ্ঠী আদিৰ সৈতে মিলা-প্ৰীতি আৰু শৃংখলা বজাই ৰখাত সহায় কৰে। ইয়াৰ দ্বাৰাই এটা জাতি বা এখন ৰাষ্ট্ৰৰ গৌৰৱ বৃদ্ধিও পাব পাৰে। খেলৰ এনেকুৱা তাৎপৰ্য্য থকা সত্ত্বেও আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবোৰৰ বহুক্ষেত্ৰত খেলৰ প্ৰতি আগ্ৰহ কম থকা দেখা যায়।

আন আন বছৰবোৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ" বিভিন্ন কাৰ্য্য-সূচীৰে পালন কৰা হয়। খেল-ধেমালিৰ কাৰ্য্যসূচী সমূহত প্ৰতিযোগীৰ সংখ্যা আশা কৰা মতে হোৱা নাই যদিও এক উচ্চ পৰ্যায়ৰ খেলৰ দ্বাৰা খেলুৱৈ সকলে নিজ নিজ প্ৰতিভা বিকাশ কৰিব পাৰিছে। আমাৰ মহাবিদ্যালয়ত খেলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা নথকা সত্ত্বেও ছাত্ৰ-ছাত্ৰীবোৰে নিজৰ নিজৰ যোগ্যতা দেখুৱাবলৈ সমৰ্থ হৈছে।

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত হোৱা আন্তঃমহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্টত [নগৰবেৰা বিঃ পি. চি মহাবিদ্যালয়ত] আমাৰ মহাবিদ্যালয়ে যোগদান কৰে। পুৰস্কাৰ পোৱা নাই যদিও এক উচ্চ মানৰ খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল।

মহাবিদ্যালয় এখনৰ খেলসমূহ পৰিচালিত হবলৈ যিখিনি সামগ্ৰীৰ প্ৰয়োজন, তাৰ সকলোখিনি সামগ্ৰী আমাৰ মহাবিদ্যালয়ত নাই, সেয়ে মই ইয়াৰে কৰ্তৃপক্ষক অনুৰোধ জনালোঁ যাতে প্ৰয়োজনীয় সামগ্ৰী সমূহৰ অভাৱ পূৰণ সোনকালে কৰে। ইয়াবোপৰি ছাত্ৰ ছাত্ৰী সকললৈও মোৰ অনুৰোধ— মহাবিদ্যালয় সপ্তাহৰ দিন কেইটাৰ বাহিৰেও আন আন দিনবোৰতো যাতে খেল খেলি থাকে।

মোৰ কাৰ্যকালছোৱাত সকলো দিশৰপৰা সহায়-সহযোগ আৰু দিহা-পৰামৰ্শ আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যাপক তথা শিক্ষাগুৰু মাননীয় শ্ৰীযুত অৰুণী কুমাৰ দাস ছাৰলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াবোপৰি অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ

দেৱ, মাননীয় শ্ৰীযুত দ্বিজেন দাস ছাৰ, মাননীয় শ্ৰীযুত মদন কাকতি ছাৰৰ দিহা–পৰামৰ্শ কেতিয়াও পাহৰিব নোৱাৰিম আৰু তেখেতসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰোপৰি ছাত্ৰ একতা সভাৰ সদস্যসকল আৰু উপেন, নৱ, মীৰা, মধুস্মিতা চন্দ্ৰ, লক্ষ্মণ বেদান্ত, কিশোৰী, দুলাল, হৰিবৰ, মৃণাল ডালিমী, কল্পনা, কণিকা, অঞ্জনা, জুনু, বীণা, সাবিত্ৰী, সৰস্তীলৈ তেওঁলোকৰ সহায়–সহযোগৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত মোৰ প্ৰতিবেদনৰ জ্ঞাত-অজ্ঞাত ভুলৰ বাবে ক্ষমা বিচাৰি জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

শ্ৰীচন্দন কুমাৰ ৰাভা
সম্পাদক, খেল বিভাগ।


# আলোক চিত্ৰত মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ একাংশ



ৰূপালী জয়ন্তী উপলক্ষে হোৱা সাংস্কৃতিক শোভাযাত্ৰাৰ একাংশ



পতাকা উত্তোলনেৰে মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱ আনুষ্ঠানিকভাবে উদ্বোধন কৰিছে অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে ।



ৰূপালী জয়ন্তী আৰু নেহৰু জন্ম শত বাৰ্ষিকী উপলক্ষে নেহৰু জীৱন দৰ্শনৰ ওপৰত হোৱা আলোচনা চক্ৰত ভাষণৰত অৱস্থাত প্ৰসিদ্ধ সাহিত্যিক আৰু সমাজ কৰ্মী শ্ৰীযুত লক্ষাধৰ চৌধুৰী দেৱ।




ৰূপালী জয়ন্তী উপলক্ষে প্ৰদৰ্শন কৰা প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰি ভাষণৰত অৱস্থাত মাননীয় শ্ৰীযুত কাতিৰাম ৰাভা দেৱে।



ৰূপালী জয়ন্তীৰ বাবে নিৰ্মিত তোৰণ

# ১৯৮৯-৯০ চনৰ "মহাবিদ্যালয় সপ্তাহ"ত নিৰ্বাচিত হোৱা শ্ৰেষ্ঠ প্ৰতিযোগী সকল



শ্ৰীজীৱেশ্বৰ পাঠক
( শ্ৰেষ্ঠ অভিনেতা ১৯৮৯-৯০ )



শ্ৰীসৰ্বেশ্বৰ কলিতা
( শ্ৰেষ্ঠ খেলুৱৈ ১৯৮৯-৯০ )



শ্ৰীবীণা দাস
( শ্ৰেষ্ঠা অভিনেত্ৰী ১৯৮৯-৯০ )



শ্ৰীপূৰবী মহন্ত
( শ্ৰেষ্ঠা খেলুৱৈ ১৯৮৯-৯০ )



শ্ৰীদীপিকা দেৱী
( শ্ৰেষ্ঠা গায়িকা ১৯৮৯-৯০ )

# তৰ্ক আৰু আলোচনাচক্ৰৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰি তৰ্ক আৰু আলোচনা চক্ৰৰ সম্পাদক হিচাপে সেৱা আগবঢ়াবলৈ সুযোগ কণ দিলে তাৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।।

গণতান্ত্ৰিক শাসন ব্যৱস্থাত যি কোনো গুৰুত্বপূৰ্ণ বিষয়ত উচিত সিদ্ধান্ত লবলৈ হলে তাক যুক্তি তৰ্কেৰে বিচাৰ বিশ্লেষণ কৰি মতামত লোৱাটো নিতান্তই প্ৰয়োজন। আৰু বিশেষকৈ ভাৰতবৰ্ষৰ দৰে বিশাল গণতান্ত্ৰিক দেশ এখনত। তেতিয়াহে গণতান্ত্ৰিক পৰম্পৰা অব্যাহত থাকিব আৰু গণতন্ত্ৰৰ ভেটি আৰু অধিক শক্তিশালী হৈ পৰিব। ছাত্ৰ অৱস্থাৰ পৰাই আমি যি কোনো বিষয় যুক্তি তৰ্কেৰে বিচাৰ বিবেচনা কৰাৰ অভ্যাস আহৰণ কৰিব লাগে। ছাত্ৰ-ছাত্ৰীৰ মাজত এনে অভ্যাস গঢ়ি তোলাত বিদ্যালয় আৰু মহাবিদ্যালয়সমূহে এক বিশিষ্ট ভূমিকা লব পাৰে।

আন আন বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহত তৰ্ক, কুইজ আৰু আবৃত্তিৰ (অসমীয়া আৰু ইংৰাজী) প্ৰতিযোগিতা পতা হৈছিল। কিন্তু বৰ পৰিতাপৰ কথা যে প্ৰতিযোগিতাসমূহত প্ৰতিযোগীৰ সংখ্যা নিচেই কম আছিল। আমি আশা ৰাখিছোঁ। আগলৈ যেন অধিক সংখ্যক প্ৰতিযোগীয়ে এনে প্ৰতিযোগিতা সমূহত যোগদান কৰিবলৈ আগবাঢ়ি আহিব। এইখিনিতে যোগদানকাৰী সকলো প্ৰতি-যোগীকে মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ কাৰ্যকালছোৱাত যি সকল অধ্যাপক-অধ্যাপিকাই সহায় সহযোগ আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। বিশেষকৈ তৰ্ক আৰু আলোচনাচক্ৰৰ তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱৰ বহুমূলীয়া দিহা-পৰামৰ্শৰ বাবে তেখেতৰ ওচৰত মই চিৰঋণী হৈ থাকিলোঁ। মোৰ বিভিন্ন কাৰ্য চলাই নিয়াত বিশেষভাবে সহায় কৰা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী-সকলক বিশেষকৈ সৰ্বশ্ৰী মুকুন্দ বড়ো, শান্তনু ৰাভা গণেশ বড়ো, দুলাল ৰাভা, তিলকজ্যোতি বড়ো, নিপুণ ৰাভা, দীপালী বড়ো, বিজুমণি বড়ো আৰু বনলতা ৰাভাক কেতিয়াও পাহৰিব নোৱাৰিম।

সদৌশেষত সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই আৰু মোৰ এই কাৰ্যকালছোৱাত হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।।

"জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়"।

ধন্যবাদেৰে
শ্ৰীঅখিল দৈমাৰী
সম্পাদক, তৰ্ক আৰু আলোচনাচক্ৰ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয়জয়তে মোৰ প্ৰতি আস্থা ৰাখি মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ আৰু ছাত্ৰ একতা সভাৰ সদস্য বৃন্দই মোক সাংস্কৃতিক বিভাগৰ সম্পাদকৰ পদত সেৱা আগবঢ়াবলৈ সুযোগৰূপ দিয়াৰ বাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আজিৰ এই প্ৰতিযোগিতাৰ যুগত পঢ়া-শুনা আৰু অন্যান্য বিষয়ৰ লগতে সংগীত আৰু কলাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰতিভা বিকাশৰ উপৰিও জীৱনত আত্ম প্ৰতিষ্ঠা লাভ কৰিব পাৰে। সংগীত আৰু কলাই জাতি একোটাৰ স্বাক্ষৰ বহনকাৰী প্ৰতীক। সংগীত কলাৰ চৰ্চাই সেই দিশত জাতি একোটাৰ অতীত কীৰ্তি উপলব্ধিত যিদৰে সহায় কৰে, সেইদৰে একে দিশত এৰি থৈ যাব পাৰে ভৱিষ্যতৰ বাবে বৰ্তমানৰ স্বাক্ষৰ। মহাবিদ্যালয় এখনত নিয়মীয়া সংগীত চৰ্চা এইবোৰ কাৰণতে যে অপৰিহাৰ্য কোৱা বাহুল্য মাথোন।

**মহাবিদ্যালয় সপ্তাহ :** বিগত বছৰবোৰৰ দৰে এই বেলিও মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনত সাংস্কৃতিক বিভাগটোৱে বিভিন্ন কাৰ্য্য-সূচীৰে অংশ গ্ৰহণ কৰে। ইয়াত বিভিন্ন গীত মাত, আবৃত্তি আদিৰ লগতে একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগীৰ সংখ্যা কিছু তাকৰ হলেও সাংস্কৃতিক অনুষ্ঠানটো নিম্নমানৰ হোৱা নাছিল। ভৱিষ্যতেও অধিক সাধনা আৰু চৰ্চাৰে সাংস্কৃতিক অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে নিজৰো উন্নতি সাধন কৰিবলৈ মই এই সুযোগতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলক অনুৰোধ কৰিলোঁ।

**১৯৯০ চনৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত যোগদান :** এইবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা "আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত" আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ তৰফৰপৰা এটা দলে যোগদান কৰে। মহাবিদ্যালয়ৰ অধ্যাপক তথা সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক শ্ৰীযুত দিলীপ কুমাৰ দাসদেৱৰ তত্বাৱধানত দলটিৰ উক্ত যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰাৰ সৌভাগ্য ঘটিছিল।

**অভাৱ অভিযোগ :** এখন মহাবিদ্যালয়ৰ সংগীত শাখাৰ বাবে যিখিনি সা-সঁজুলিৰ প্ৰয়োজন সেইখিনিৰ প্ৰায় সকলো খিনিয়ে আমাৰ মহাবিদ্যালয়ত আছে যদিও গীটাৰ এখন আৰু সেওলিন এটা পালে আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো আৰু উন্নত হ'ব বুলি মোৰ বিশ্বাস। আন এটা গুৰুত্বপূৰ্ণ আৰু দীৰ্ঘদিনীয়া অভাৱ হ'ল এটি প্ৰেক্ষাগৃহৰ অভাৱ। আশা কৰোঁ মহা-

বিদ্যালয়ৰ কর্তৃপক্ষই ছাত্র-ছাত্রীসকলৰ সাংস্কৃতিক দিশৰ এই ন্যায্য অভাৱবোৰ সহানুভূতিৰে বিবেচনা কৰি অনতি পলমে এইবোৰ পূৰণ কৰিব।

**কৃতজ্ঞতা স্বীকাৰ :** বিভাগীয় কাম-কাজবোৰ সুকলমে চলোৱাত দিহা-পৰামৰ্শ দি মোক উৎসাহিত কৰাৰ বাবে ছাত্ৰ একতা সভাৰ সভাপতি অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ, উপ-সভাপতি শ্ৰীযুত শৰৎ চন্দ্ৰ তালুকদাৰদেৱ আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দিলীপ কুমাৰ দাসদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। অধ্যাপক-অধ্যাপিকা আৰু লগতে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলে সময়ে সময়ে আগবঢ়োৱা দিহা-পৰামৰ্শ আৰু সহায়ৰ বাবে তেখেত সকলৰ প্ৰতিও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত জ্ঞাত বা অজ্ঞাতে হৈ যোৱা ভুল-ক্ৰুটিৰ বাবে ক্ষমা খুজি সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ হিয়াভৰা শুভেচ্ছা যাঁচি আমাৰ মহাবিদ্যালয়ৰ সংগীত বিভাগটোৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়'
'জয়তু জৱাহৰ জ্যোতি'

ধন্যবাদেৰে
শ্ৰীৰামদয়াল মহন্ত
সম্পাদক, সাংস্কৃতিক বিভাগ
বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়,
ছাত্ৰ একতা সভা।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ মাতৃৰ কাৰণে জীৱন আহুতি দিয়া জ্ঞাত-অজ্ঞাত সকলো শ্বহীদলৈ মোৰ অশ্ৰুসিক্ত শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিলোঁ। "জয়তু শ্বহীদ।"

১৯৮৯-৯০ ইং চনৰ বাবে মই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰোঁ। এই দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ সুযোগকণ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই কাৰ্যভাৰ লোৱাৰ কেইদিনমান পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। ছাত্ৰ জিৰণি কোঠাৰ ফালৰপৰা 'Indoor Games'ৰ শিতানত দুবিধ খেল—'কেৰম' আৰু 'বেডমিণ্টনৰ' প্ৰতিযোগিতা পতা হৈছিল। এই প্ৰতিযোগিতাত ভালে সংখ্যক খেলুৱৈয়ে যোগদান কৰিছিল আৰু নিজৰ নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি দৰ্শকক আনন্দ দিছিল। প্ৰতিযোগিতাত অংশ গ্ৰহণকাৰী প্ৰতিজন প্ৰতিযোগীৰ মই উজ্বল ভবিষ্যত কামনা কৰিলোঁ।

এইখিনিতে মই মহাবিদ্যালয় কৰ্তৃপক্ষক এটি অনুৰোধ জনাওঁ যে 'Indoor Games'ৰ শিতানত আগলৈ যেন আৰু কেইবিধমান খেলৰ অন্তৰ্ভুক্তি কৰে।

মোৰ এই কাৰ্য কালছোৱাত নানান দিহা-পৰামৰ্শ দি সহায় কৰা বাবে ছাত্ৰ জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপক মঃ মজিবৰ ৰহমান ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ-বন্ধু ক্ষীৰোদ, ভবেন, কামদেৱ, কিশোৰী আৰু ছাত্ৰী বান্ধৱী কল্পনা, লিপিকা, কণিকা, অজন্তা আদিলৈকে। তেওঁলোকে আগবঢ়োৱা অকুণ্ঠ সহায়-সহযোগৰ বাবে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌ শেষত সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জনাই আৰু মোৰ কাৰ্যকাল চলাই যোৱাত হোৱা জ্ঞাত-অজ্ঞাত ভুল-ক্ৰুটিবোৰৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে
শ্ৰীদ্বিগেন কুমাৰ বৰা
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
ৰকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে ১৯৮৯–৯০ ইং চনৰ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত বিনা প্ৰতি-দ্বন্দ্বিতাৰে নিৰ্বাচিত হ'বলৈ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ কাৰ্য্যভাৰ লোৱাৰ কেইদিনমান পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হৈছিল। ছাত্ৰী জিৰণি কোঠাৰ ফালৰ পৰাও কিছুমান খেল অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা যিমান হ'ব বুলি ভাবিছিলোঁ সিমান সংখ্যক হোৱা নাছিল। তথাপি যিসকলে অংশ গ্ৰহণ কৰিছিল তেখেত সকলৰ খেল প্ৰদৰ্শন ভালেই হৈছিল। আমি আশা ৰাখিছোঁ উপযুক্ত অনুশীলন আৰু অভ্যাস কৰি খেলুৱৈসকলে যেন আগলৈ আৰু বেছি উচ্চমানৰ খেল প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব।

এইখিনিতে মই ছাত্ৰীসকলে ভোগ কৰি অহা এটি প্ৰধান অভাৱৰ কথা ক'ব খুজিছোঁ। কথাটো হ'ল আমাৰ মহাবিদ্যালয়ত ছাত্ৰীৰ সংখ্যা অনুপাতে ছাত্ৰী জিৰণি কোঠাটো যথেষ্ট সৰু হৈছে, ফলত ছাত্ৰীসকলে বহা-মেলাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। গতিকে এই বিষয়ে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

মোৰ কাৰ্যকাল চলাই নিয়াত বিভিন্ন ধৰণে দিহা-পৰামৰ্শ প্ৰদান কৰা বাবে ছাত্ৰী জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা শ্ৰীযুতা জয়শ্ৰী ভূঞা বাইদেউলৈ আৰু খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত অৰুণী দাসদেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ বন্ধু দীপাংকৰ আৰু ছাত্ৰী বান্ধৱী কল্পনা, লিপিকা, কণিকা আৰু আমিনালৈকো মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰি সমূহ ছাত্ৰ-ছাত্ৰীলৈ তেখেত সকলৰ অকুণ্ঠ সহায়-সহযোগৰ বাবে মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

সদৌ শেষত জৱাহৰলাল নেহৰু মহাবিদ্যা-লয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

ধন্যবাদেৰে—

মিচ্ মঞ্জুবাণী দাস

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা

বকো, জৱাহৰলাল নেহৰু মহাবিদ্যালয়,

ছাত্ৰ একতা সভা

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলৰ স্মৃতিত মোৰ হিয়াভৰা অশ্ৰু-অঞ্জলি যাঁচিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে মোৰ ওপৰত আস্থা ৰাখি সমাজ সেৱাৰ গধুৰ দায়িত্ব অৰ্পণ কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুযোগকণ দিলে তাৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সম্পাদকৰ দায়িত্বভাৰ লোৱাৰ কেইদিনমান পাছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। এই উপলক্ষে মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰাৰ উপৰিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এখনি ছাফাই প্ৰতিযোগিতাও পতা হয়। উক্ত প্ৰতিযোগিতাত নিষ্ঠা সহকাৰে সেৱাৰ মনোভাৱ দেখুৱাবলৈ সমৰ্থ হোৱা প্ৰতিযোগীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়।

মোৰ কাৰ্যকালত আন এটা গৌৰৱৰ কাম হৈছিল আমাৰ মহাবিদ্যালয়তে অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ শিবিৰ। এই শিবিৰত যোগদান কৰি আমাৰ ভালে সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সমাজ সেৱাৰ নিদৰ্শন দেখুৱাবলৈ সক্ষম হয়।

সমাজ সেৱা বিভাগৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰাত আৰম্ভণিতে কিছুমান অসুবিধা নোপোৱাকৈ থকা নাছিলো। বিশেষকৈ কোৰ-দা আদিৰ বেছি অভাৱ আছিল। বৰ্তমান কৰ্তৃপক্ষৰ ফালৰপৰা দা-কোৰ কিছুমানৰ যোগান পোৱাত এই অভাৱ কিছু পৰিমাণে কমিছে বুলি ক'ব পাৰি।

মোৰ এই কাৰ্য্যকালছোৱাত বিভিন্ন দিহা-পৰামৰ্শ দি সহায়-সহযোগিতা আগবঢ়োৱা বাবে সমাজ সেৱা বিভাগৰ তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত অৰুণ চন্দ্ৰ পাটোৱাৰীদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি মোক বিভিন্ন দিশত সহায়-সহযোগিতা কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ।

সদৌ শেষত মোৰ অজানিত ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা মাৰ্জনা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি প্ৰতিবেদন সামৰিছোঁ। "জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়।"

ধন্যবাদেৰে

শ্ৰীজীৱেশ্বৰ পাঠক

সম্পাদক, সমাজ সেৱা বিভাগ